# Ass _VI(M)_ Smita Rabha _MAILA ANCHAL _ Novel

1 message

**Smita Rabha** <rabhasmita144@gmail.com>
To: sbdiqac@gmail.com

Mon, Jun 15, 2020 at 1:38 PM

কাকত : ৬.৩
উপন্যাস - ময়লা আঁচল

' ময়লা আঁচল ' উপন্যাসৰ বিষয়বস্তু

ফণীশ্বৰনাথ ৰেণুৰদ্বাৰা ৰচিত ' ময়লা আঁচল ' উপন্যাসখনি ভাৰতীয় হিন্দী সাহিত্যৰ এক আপুৰুগীয়া সৃষ্টি । ১৯৫৪ চনত ৰচিত হোৱা এই উপন্যাসখনি হিন্দী সাহিত্যৰ পৰম্পৰা লৈ নতুন উপাদানৰ আমদানি ঘটাইছিল । মূলতঃ বিহাৰৰ পূৰ্ণিয়া জিলাৰ মেৰীগঞ্জ নামৰ এখন ভিতৰুৱা গাঁৱৰ কাহিনীক কেন্দ্ৰ কৰি ময়লা আঁচল উপন্যাসখনি ৰচনা কৰা হৈছে । যদিও মেৰীগঞ্জৰ পটভূমিতে উপন্যাসখনি ৰচনা কৰা হৈছে তথাপিও সমসাময়িক ভাৰতীয় গাঁও অঞ্চলৰ সাধাৰণ বৈশিষ্ট্য উপন্যাসখনিত দেখিবলৈ পোৱা যায় । পৰম্পৰাগত ৰীতি - নীতিক ত্যাগ কৰি উপন্যাস ৰচনা কৰা ফণীশ্বৰনাথ ৰেণুৰ ময়লা আঁচলৰ বিষয়বস্তু সম্পূৰ্ণ নতুন শৈলীত বা নতুন ভংগিমাত ৰচনা কৰা হৈছে । কথাসাহিত্যত পৰিদৃশ্যমান হোৱা নৈৰ্ব্যক্তিকতাক এই উপন্যাসখনৰ জৰিয়তেই ৰেণুৱে হিন্দী সাহিত্যলৈ পোনপ্ৰথমবাৰৰ বাবে আমদানি ঘটাইছিল ।

উপন্যাসখনত মেৰীগঞ্জ নামৰ গাঁওখনক প্ৰতীকাত্মক ৰূপত উপস্থাপন কৰা হৈছে । সমসাময়িক সমাজ জীৱনৰ বিভিন্ন গতি বিধিৰ লগতে তাত বাস কৰা জনসাধাৰণৰ আৰ্থিক , সামাজিক , ৰাজনৈতিক আৰু সাংস্কৃতিক স্থিতিৰ সুন্দৰ বৰ্ণনা উপন্যাসখনিত পোৱা যায় । উপন্যাসখনিত সমসাময়িক সমাজ জীৱনত প্ৰচলিত হৈ থকা অন্ধবিশ্বাস , ধৰ্মৰ নামত থকা ভণ্ডামি , উচ্চ - নীচৰ ধাৰণা , শিক্ষাৰ অভাৱ আদি বিভিন্ন দিশক বলিষ্ঠভাৱে উপস্থাপন কৰা হৈছে । মূলতঃ বিহাৰৰ পটভূমিতে ৰচনা হোৱা উপন্যাসখনিত ভাৰতীয় স্বাধীনতা আন্দোলনে জনসমাজত পেলোৱা প্ৰভাৱ , তেওঁলোকৰ লোককলা আৰু লোকসংস্কৃতি আদি বিভিন্ন দিশক একে পৃষ্ঠভূমিলৈ আনি সুন্দৰভাৱে উপন্যাসখনিত উপস্থাপন কৰিছে । উপন্যাসখনৰ প্ৰায় সকলো বৰ্ণনাই আঞ্চলিক জীৱনবোধৰ সৈতে সম্পৰ্কিত । উপন্যাসখনিৰ কিছু কিছু ক্ষেত্ৰত ঔপন্যাসিকে পাৰস্পৰিক অসম্বন্ধিত বৰ্ণনা আগবঢ়াইছে যদিও ঘটনাবোৰৰ মাজত এক সূত্ৰতা ৰাখিবলৈ পৰম্পৰাগত শৈলী ব্যৱহাৰ নকৰি চলচিত্ৰগত শৈলীৰ প্ৰয়োগ কৰিছে ।

ভাৰতীয় সামাজিক জীৱনৰ দাপোনস্বৰূপ এই উপন্যাসখনিৰ ঔপন্যাসিকে ঘটনাবহুল উপন্যাস হিচাপে ৰচনা কৰিছে । উপন্যাসখনিৰ ভূমিকাত তেওঁ কৈছে -

" ইয়াত ফুলো আছে , শূলো আছে , ধূলিও আছে , আবিৰো আছে , বোকাও আছে , চন্দনো আছে , সুন্দৰতাও আছে , কুৰূপতাও আছে - মই কাকো নেওচা দিব পৰা নাই । "

দেখা যায় যে পূৰ্ণিয়া অঞ্চলৰ মাটিৰ সৈতে সম্পৃক্ত এই উপন্যাসখনিত কাহিনী আৰম্ভ হৈছে এটা মেলেৰীয়া নিবাৰণ কেন্দ্ৰ স্থাপনক লৈ । য'ত মেলেৰীয়া আদিৰ দৰে ৰোগৰ পৰা সাধাৰণ জনতাৰ বাদেও পশু - পক্ষীয়েও নিষ্কৃতি লাভ নকৰে । অন্ধবিশ্বাসী এই লোকসকলে মেলেৰীয়া প্ৰতিৰোধৰ বাবে ব্যৱহাৰ কৰা ইনজ্যাকশ্যনৰ পৰাহে মেলেৰীয়াৰ উৎপত্তি হয় বুলি বিবেচনা কৰে । অজ্ঞতাৰ অন্ধকাৰে আৱৰি থকা এই লোকসকলে দুবেলা দুসাজ ভালকৈ খাবলৈ নাপালেও সেই কষ্টময় জীৱন - যাপনৰ মাজতে আনন্দৰ সন্ধান কৰে । দুখ - দৈন্যৰ দ্বাৰা পালিত এই জীৱনধাৰাত লোককথা আৰু লোকগীতৰ মাদকতাই উপন্যাসখনিলৈ এক অনন্য বাৰ্তা কঢ়িয়াই আনিছে । এক বিশেষ মানসিকতাৰে জীৱন - যাপন কৰা এই মানুহখিনিৰ সাহস আৰু ধৈৰ্য্যই উপন্যাসখনিৰ মূল সম্পদ । কৃষিক্ষেত্ৰৰ বাবে জনসংঘৰ্ষ , মঠৰ সামন্তীয় ৰূপ , বামন দাসৰ দৰে সত্যবাদী আৰু নিষ্ঠাবান লোকৰ মৃত্যু আদি অনেক মৰ্মস্পৰ্শী ঘটনাই ময়লা আঁচলক অনন্য বৈশিষ্ট্য প্ৰদান কৰিছে ।

১৯৫২ চনৰ পৰা ১৯৪৮ চনৰ ভিতৰত পূৰ্ণিয়া জিলাৰ মেৰীগঞ্জক লৈ ৰচিত উপন্যাসখনিত ৰেণুৱে সামন্তীয় ব্যৱস্থাক প্ৰতীকাত্মক ৰূপত উপস্থাপন কৰিছে যদিও কোনো নিৰ্দিষ্ট ব্যক্তিক খলনায়কৰ দৰে উপস্থাপন নকৰি বহু ব্যক্তিৰ পৰিধিলৈ ইয়াক টানি নিছে । বিভিন্ন চৰিত্ৰৰ মুখৰ পৰা নিসৃত বিভিন্ন ধৰনৰ উপকাহিনীয়ে উপন্যাসখনিৰ সামগ্ৰিক বিষয়বস্তুক বিচিত্ৰ কৰি তুলিছে । জীৱনৰ বিভিন্ন উত্থান পতনৰ লগত জড়িত বিভিন্ন ঘটনা , প্ৰেমৰ সুন্দৰতম প্ৰকাশ , সাধাৰন মানুহৰ মহানুভৱতা , হাজাৰ কষ্টৰ মাজতো সমাজ জীৱনলৈ আনিব বিচৰা নতুন পৰিৱৰ্তন আদিয়ে উপন্যাসখনিক বৰ্ণিল কৰি তুলিছে । প্ৰেমচন্দৰ 'গোদান' উপন্যাসৰ দৰে কাহিনী বিন্যাস এই উপন্যাসখনিত নাই যদিও মহাকাব্যাত্মক শৈলীত ৰচনা কৰা এই উপন্যাসখনিত সৰু সৰু ঘটনা বা ক্ষুদ্ৰ ক্ষুদ্ৰ কথাইও মহত্বতা দাঙি ধৰিব পাৰে ।

সামন্তবাদী শোষণত জৰ্জৰিত ভাৰতীয় গ্ৰামীণ জনতাৰ দুখঃবহ কাহিনীয়ে ময়লা আঁচল উপন্যাসত মুখ্য ভূমিকা গ্ৰহণ কৰা দেখা যায় । মূলতঃ উপন্যাসখনিৰ পাঁচোটা কাহিনীৰ ভিন্নধাৰাই উপন্যাসখনিত বিস্তাৰ লাভ কৰা দেখা যায় । এই পাঁচোটা ধাৰাৰ প্ৰবাহেৰে উপন্যাসখনিৰ আদিৰ পৰা অন্তলৈ সঞ্জীৱিত কৰি ৰাখিছে । এই পাঁচোটা মুখ্য ধাৰা হ'ল -

ক) ভাৰতীয় স্বাধীনতা সংগ্ৰাম আৰু গ্ৰামীণ জনতাৰ ইয়াত যোগদান ।
খ) পুঁজিবাদী ব্যৱস্থাৰ লগত জনসাধাৰনৰ সংঘাত ।
গ) সামন্তবাদৰ প্ৰতীক কবিৰপন্থী মঠৰ ব্যভিচাৰিতা উন্মোচন ।
ঘ) মেলেৰীয়া কলাজ্বৰ আদি ৰোগৰ পৰা জনসাধাৰণৰ মুক্তিৰ বাবে ড° প্ৰশান্ত কুমাৰৰ অক্লান্ত চেষ্টা ।
ঙ) প্ৰেমকাহিনীৰ বিস্তাৰ ( ড° প্ৰশান্ত আৰু কমলী তথা লছমী আৰু বালদেৱৰ প্ৰেমকাহিনী )

ফণীশ্বৰনাথ ৰেণুৱে এই পাঁচোটা ধাৰাক কেন্দ্ৰ কৰি উপন্যাসখন ৰচনা কৰিলেও বিভিন্ন ধৰণৰ সৰু বৰ ঘটনা - পৰিঘটনাই উপন্যাসখনিক সমৃদ্ধ কৰাত সহায় কৰিছে । ইয়াত পৰিদৃশ্যমান হোৱা গ্ৰাম্য জীৱনৰ অলেখ ঘটনা - পৰিঘটনা , সামাজিক সংস্কাৰ , বিধি বিধান

, ধৰ্মীয় ৰীতি - নীতি , বিশ্বাস , কুসংস্কাৰ , জাতিভেদ প্ৰথা , যৌন কেলেংকাৰী , ধৰ্মীয় আৰু সামাজিক ভণ্ডামি , হাই - কাজিয়া আদি বিভিন্ন উপাদানে উপন্যাসখনি অনন্য কৰি তুলিছে । ফণীশ্বৰনাথ ৰেণুৱে ময়লা আঁচল উপন্যাসখনিক বিষয়বস্তুগত বিশিষ্ট প্ৰকৃতিৰ আৰু সৃষ্টিৰ আন্তৰিক প্ৰক্ৰিয়াৰ সহায়ত ৰচনা কৰা হৈছে । সেয়ে ময়লা আঁচল সম্পৰ্কে সমালোচক সকলে এনেদৰে মন্তব্য দাঙি ধৰিছে -

" ৰেণুৰ ময়লা আঁচলৰ শিল্পগত প্ৰয়োগ, উপন্যাসখনৰ বিষয়বস্তুগত বিশিষ্ট প্ৰকৃতি , তাৰ প্ৰতি বিশিষ্ট লেখকীয় দৃষ্টিকোণ আৰু সৃষ্টিৰ আন্তৰিক প্ৰক্ৰিয়াৰ পৰা উদ্ধৃত । ই চেষ্টাপূৰ্বক নহয় , ই উপন্যাসখনিৰ দাবী অনুসাৰে সিদ্ধ , লিখকৰ ইচ্ছাৰদ্বাৰা নহয় । "

বিভিন্ন ধৰণৰ ঘটনা - পৰিঘটনাৰ সমষ্টি ময়লা আঁচলৰ বিষয়বস্তু । প্ৰত্যক্ষ দৃষ্টিত অসংগবদ্ধ যেন লাগিলেও পৰোক্ষভাৱে ইয়াত উপস্থাপন কৰা সৰু বৰ সকলোবোৰ ঘটনাৰ মাজতে সংযোগসূত্ৰ বিচাৰি পোৱা যায় । প্ৰকৃততে এই সংযোগসূত্ৰই ইয়াক গতিশীলতা প্ৰদান কৰিছে । ময়লা আঁচলত বিভিন্ন ধৰণৰ সমস্যাৰ উল্লেখ যিদৰে আছে সেইদৰে ইয়াৰ লগত একো একোটা খণ্ডচিত্ৰও সম্পৰ্কিত হৈ আছে । এই প্ৰতিটো খণ্ডচিত্ৰ স্বয়ংসম্পূৰ্ণ আৰু স্বতন্ত্ৰ । প্ৰেমচন্দৰ 'গোদান'ৰ সৈতে তুলনা কৰি ড° বদ্ৰী প্ৰসাদে 'ময়লা আঁচল' সম্পৰ্কে কৈছে যে -

" গোদানৰ কাহিনীৰ নদীত দুটা ধাৰা আছে , দুটা পাৰ আছে , শোষক আৰু শোষিতৰ কাহিনী কিন্তু দুয়ো পৃথক নহয় , বৰঞ্চ এটা আনটোৰ পৰিপূৰক । শোষিত বৰ্গৰ কাহিনী শোষক বৰ্গৰ অবিহনে সম্পূৰ্ণ নহয়। তদ্ৰুপ শোষিত বৰ্গ অবিহনে শোষক বৰ্গ । তথাপি যেতিয়া দুয়োটা ধাৰাৰ সংঘৰ্ষ হয় তেতিয়া শোষণৰ ভয়ংকৰ কাহিনী উন্মোচিত হয় , কিন্তু ময়লা আঁচলত ৰেণুৰ গ্ৰামীণ সমস্যাৰ ভিন্ন কাহিনীৰ মহাসাগৰীয় তৰংগৰ দৰে , য'ত শতমুখী অন্তৰ্বৰ্তী কথাৰ ধাৰা আছে , য'ত সমগ্ৰ সাগৰখনকে আন্দোলিত কৰি ৰাখিছে । "

সমস্যাৰ বহুমুখী প্ৰসাৰৰ মাজত কথাশিল্পৰ উচ্ছৃংশলতা আৰু অব্যৱস্থাই 'ময়লা আঁচল ' ৰ মৌলিকতা প্ৰকাশ কৰে । প্ৰতিবাদী আৰু ক্ৰান্তিকাৰী ঔপন্যাসিক হিচাবে চিহ্নিত ৰেণুৰ ' ময়লা আঁচল' ত কোনো জীৱনৰ আহৰিত বিভিন্ন ঘটনাৰ সমন্বয়ত ৰচনা হোৱা । ই সেয়েহে এখন অগতানুগতিক আঞ্চলিক উপন্যাস ।

✍ স্মিতা ৰাভা